অসম

দিল্লীৰ পৰা গুৱাহাটীলৈ বুলেট ট্ৰেইন! ৮ ঘণ্টাৰো কম হ'ব যাত্ৰাৰ সময়?

উত্তৰ ভাৰতৰ প্ৰস্তাৱিত বুলেট ট্ৰেইন কৰিড'ৰ গুৱাহাটীলৈ সম্প্ৰসাৰণৰ ঘোষণা ৰে'ল মন্ত্ৰীৰ। অসমৰ বাবে নতুন যোগাযোগৰ সম্ভাৱনা।

প্ৰকাশ: ১ নৱেম্বৰ ২০২৬, পুৱা ১১:৩০



মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

D O No CMO 1/2026/8115
June 07, 2026

Adaraniya Shrie Vaishnaw Je,

We have learnt that your goodself has announced the Delhi–Siliguri High-Speed Rail Corridor, connecting Delhi, Lucknow, Varanasi, Patna and Siliguri, as one of India's next transformative bullet train projects. This visionary initiative will significantly reduce travel time and further strengthen economic integration across northern and eastern India.

2. While welcoming this landmark proposal, I would like to submit for your kind consideration that the corridor may be extended up to Guwahati. The omission of Guwahati, the gateway to the Northeast and the region's largest economic and transportation hub, from the proposed high-speed rail network is a matter of concern. Extending the corridor to Guwahati would not only bring the entire region onto India's bullet train map but would also serve as a catalyst for economic growth, tourism, trade and investment across the Northeast.

3. Under the leadership of Hon'ble Prime Minister Shri Narendra Modi Ji and with your personal commitment towards strengthening connectivity in the Northeast, the region has witnessed unprecedented infrastructure development over the past decade. An extension of the high-speed rail corridor to Guwahati would be another historic milestone in this transformative journey, further reducing both physical and emotional distances and reinforcing the Northeast's integration with India's growth story. I shall be grateful for your sympathetic consideration of this request.

With warm regards,

Yours sincerely,

(Dr. Himanta Biswa Sarma)

Shri Ashwini Vaishnaw
Union Minister for Railways
Government of India
Rail Bhawan, New Delhi

Office : Lok Sewa Bhawan, Janata Bhawan, Dispur, Guwahati-781006.
T - 0361-2320561, 2320503
e-mail - cm@assam.gov.in
@himantabiswasarma @ himantabiswa
Residence : M-6, Ministers' Colony, Dispur, Guwahati-781006

দিল্লীৰ পৰা গুৱাহাটীলৈ বুলেট ট্ৰেইনেৰে যাত্ৰাৰ সম্ভাৱনা! উত্তৰ ভাৰতৰ প্ৰস্তাৱিত উচ্চগতিৰ ৰে'ল কৰিড'ৰটো গুৱাহাটীলৈ সম্প্ৰসাৰণৰ কথা ঘোষণা কৰিছে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। ৩১ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰিড'ৰটোৰ অনুমোদন দিয়াৰ কথা সদৰী কৰে মন্ত্ৰীগৰাকীয়ে।

প্ৰস্তাৱিত কৰিড'ৰটোৱে দিল্লীৰ পৰা আগ্ৰা, কানপুৰ, লক্ষ্ণৌ, অযোধ্যা, বাৰাণসী, প্ৰয়াগৰাজ, পাটনা আৰু শিলিগুড়ি হৈ গুৱাহাটীক সংযোগ কৰিব। এই প্ৰকল্প কাৰ্যকৰী হ'লে উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে দেশৰ আন প্ৰান্তৰ যোগাযোগ ব্যৱস্থাত নতুন গতি আহিব বুলি আশা কৰা হৈছে।

ৰে’ল মন্ত্ৰীগৰাকীৰ ঘোষণাৰ পিছতে অসমৰ মুখ্যমন্ত্ৰী ড□ হিমন্ত বিশ্ব শৰ্মাই কৰিড’ৰটো গুৱাহাটীলৈ সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে কৰা প্ৰচেষ্টাৰ কথা উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীয়ে পূৰ্বে ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে বিষয়টো উত্থাপন কৰি অসমৰ দাবী জনাইছিল বুলি জানিব পৰা গৈছে।

দিল্লী–গুৱাহাটী যাত্ৰাত সময় ৰাহি হোৱাৰ সম্ভাৱনা

প্ৰস্তাৱিত উচ্চগতিৰ ৰে’ল কৰিড’ৰটোৱে দিল্লী আৰু গুৱাহাটীৰ মাজৰ যাত্ৰাৰ সময় যথেষ্ট হ্ৰাস কৰিব পাৰে। অৱশ্যে, দিল্লীৰ পৰা গুৱাহাটীলৈ যাত্ৰা ৮ ঘণ্টাৰো কম সময়ত সম্পূৰ্ণ হ’ব বুলি কোৱা দাবীটোৰ বাবে নিৰ্দিষ্ট সময়সূচী এতিয়াও প্ৰকাশ হোৱা নাই।

ৰে’ল মন্ত্ৰীয়ে প্ৰকাশ কৰা আনুমানিক সময় অনুসৰি, দিল্লীৰ পৰা আগ্ৰালৈ যাত্ৰা ৫৯ মিনিট, কানপুৰলৈ ১ ঘণ্টা ৪৫ মিনিট আৰু লক্ষ্ণৌলৈ ২ ঘণ্টা ১২ মিনিটত সম্পূৰ্ণ হ’ব পাৰে। দিল্লী–বাৰাণসী যাত্ৰাৰ সময় প্ৰায় ৩ ঘণ্টা ৩৫ মিনিট হ’ব বুলি তেওঁ উল্লেখ কৰে।

অসমৰ অৰ্থনীতিৰ বাবেও সম্ভাৱনা

গুৱাহাটীলৈ বুলেট ট্ৰেইন কৰিড’ৰ সম্প্ৰসাৰণৰ প্ৰস্তাৱে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ব্যৱসায়-বাণিজ্য, পৰ্যটন, বিনিয়োগ আৰু কৰ্মসংস্থাপনৰ ক্ষেত্ৰত নতুন সুযোগ সৃষ্টি কৰিব পাৰে। উন্নত যোগাযোগ ব্যৱস্থাই ৰাজ্যখনৰ উদ্যোগ আৰু উৎপাদন খণ্ডৰ বিকাশতো সহায় কৰিব বুলি আশা কৰা হৈছে।

সেয়েহে, কৰিড’ৰটো গুৱাহাটীলৈ সম্প্ৰসাৰণৰ ঘোষণা অসমৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ হ’লেও, বুলেট ট্ৰেইনেৰে দিল্লী–গুৱাহাটী যাত্ৰাৰ বাস্তৱ সময় আৰু প্ৰকল্পৰ সময়সীমা জানিবলৈ পৰৱৰ্তী আনুষ্ঠানিক ঘোষণা অপেক্ষা কৰিব লাগিব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ’ আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/155/delhi-guwahati-bullet-train-corridor

© 2026 NewzNow